# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

OOOOOO

**Date :** 08-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ভাৰতে দেশৰ খেতিয়ক, মীন পালক আৰু দুগ্ধ উৎপাদকসকলৰ স্বাৰ্থৰ সৈতে কেতিয়াও আপোচ নকৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। দেশত বিশ্বমানৰ পথ আৰু পৰিবহণ আন্তঃগাঁথনিৰ নিৰ্মাণ চলি আছে আৰু ইয়াৰ ফলত বিভিন্ন স্থানৰ মাজত যাত্ৰাৰ সময় হ্ৰাস পাইছে বুলি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে।

৩। নিৰ্বাচন আয়োগে লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে ভোটাৰ তালিকাত হেৰ-ফেৰ হোৱা বুলি উত্থাপন কৰা অভিযোগ খণ্ডন কৰিছে।

৪। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালে কালি মস্কোৰ ক্ৰেমলিনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক সাক্ষাৎ কৰে।

*আৰু*

৫। ভাৰতে বেংককত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত বৰ্তমানলৈকে ১২টা পদক নিশ্চিত কৰিছে।

ooooo

ভাৰতে দেশৰ খেতিয়ক, মীন পালক আৰু দুগ্ধ উৎপাদকসকলৰ স্বাৰ্থৰ সৈতে কেতিয়াও আপোচ নকৰে। নতুন দিল্লীত কালি এম. এছ. স্বামীনাথন শতবাৰ্ষিকী আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে খেতিয়কসকলৰ কল্যাণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয়, যে চৰকাৰে খেতিয়কসকলৰ আয় বৃদ্ধি আৰু খেতিৰ ব্যয় হ্ৰাস কৰাৰ বাবে অহৰহ কাম কৰি আছে। চৰকাৰে খেতিয়কসকলৰ শক্তিক ৰাষ্ট্ৰৰ প্ৰগতিৰ আধাৰ ৰূপে স্বীকৃতি প্ৰদান কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত সম্প্ৰতি গাখীৰ, দাইল আৰু মৰাপাট উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ এক নম্বৰ স্থানত আছে। তেওঁ কয়, যে যোৱা বছৰ দেশত সৰ্বাধিক পৰিমাণৰ খাদ্য শস্য উৎপাদন হয়। তেওঁ কয়, যে ড° স্বামীনাথনে খাদ্য উৎপাদনৰ ক্ষেত্ৰত দেশক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে বিশেষ আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। শ্ৰীমোদীয়ে কয়, যে স্বামীনাথনে জৈৱ বৈচিত্ৰৰ আগলৈ গৈ জৈৱ আনন্দ দূৰদৰ্শী অৱধাৰণাৰ সূচনা কৰিছিল। কৃষি বিজ্ঞানৰ ক্ষেত্ৰত কৰা অগ্ৰণী কাম-কাজৰ বাবে ড° স্বামীনাথন

জনাজাত বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে তেওঁৰ অৱধাৰণা আৰু দৃষ্টিভংগী দেশৰ কৃষিখণ্ডত আজিও বিদ্যমান। প্ৰধানমন্ত্ৰীয়ে কয়, যে খাদ্য সুৰক্ষাৰ পাছত এতিয়া দেশৰ কৃষি বিজ্ঞানীসকলে সকলোৰে বাবে পৰিপুষ্টি, সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্য লোৱা উচিত। প্ৰতিকূল বতৰতো বাচি থাকিব পৰা আৰু বৰ্ধিত তাপমাত্ৰাৰ মাৰ সহিব পৰা শস্যৰ ন ন প্ৰজাতি বিকশাই তোলাৰ আৱশ্যকতাৰ বিষয়ে শ্ৰীমোদীয়ে গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁৰ চৰকাৰে প্ৰফেছৰ স্বামীনাথনক ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰাৰ সুযোগ লাভ কৰি গৌৰৱ অনুভৱ কৰিছে। তেওঁ কয়, যে বিগত ১০ বছৰত হস্ততাঁত খণ্ডই নতুন পৰিচয় লাভ কৰিছে আৰু সমগ্ৰ দেশত খণ্ডটো অধিক শক্তিশালী হৈ উঠিছে।

ooooo

দেশত বিশ্বমানৰ পথ আৰু পৰিবহণ আন্তঃগাঁথনিৰ নিৰ্মাণ চলি আছে আৰু ইয়াৰ ফলত বিভিন্ন স্থানৰ মাজত যাত্ৰাৰ সময় হ্ৰাস পাইছে বুলি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি ভাৰতীয় নিৰ্মাণ সা-সঁজুলি উৎপাদনকাৰী সংস্থাৰ ৭৫ সংখ্যক বাৰ্ষিক অধিৱেশনত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে জাপানক চেৰ পেলাই ভাৰতে সম্প্ৰতি নিৰ্মাণ আহিলা উদ্যোগৰ ক্ষেত্ৰত বিশ্বৰ তৃতীয় স্থানলৈ উন্নীত হৈছে। পথ নিৰ্মাণৰ মান সন্দৰ্ভত শ্ৰীগাডকাৰীয়ে কয়, যে চৰকাৰে মানৰ সৈতে কেতিয়াও আপোচ নকৰে আৰু নিয়ম উলংঘা কৰা ঠিকাদাৰসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হব। তেওঁ কয়, যে চৰকাৰে বিশ্বমানৰ সুৰক্ষা ব্যৱস্থা আৰু পথ-পৰিবহণ আন্তঃগাঁথনিৰ মান বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে ডিজেলৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ আৰু নিৰ্মাণ কাৰ্যত ব্যৱহৃত পৰিৱেশ প্ৰদূষণ কৰা উপাদানসমূহৰ বিকল্প আঁকোৱালি লবলৈও ঔদ্যোগিক নিকায়সমূহৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে বছৰি পথ দুৰ্ঘটনাৰ ফলত হতাহত হোৱা লোকৰ সংখ্যা বৃদ্ধি পোৱালৈ চাই পথ সুৰক্ষা ব্যৱস্থা মানি চলাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে।

ooooo

নিৰ্বাচন আয়োগে লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে ভোটাৰ তালিকাত হেৰ-ফেৰ হোৱা বুলি উত্থাপন কৰা অভিযোগ খণ্ডন কৰিছে। আয়োগে সামাজিক মাধ্যমযোগে এই অভিযোগ বিভ্ৰান্তিকৰ বুলি অভিহিত কৰিছে। আয়োগে কয়, যে ৰাহুল গান্ধীয়ে যদি সঁচাকৈ ভোটাৰ তালিকাত হেৰ-ফেৰ হোৱা বুলি বিশ্বাস কৰে তেন্তে তেওঁ ঘোষণা পত্ৰ অথবা শপত পত্ৰত স্বাক্ষৰ কৰা উচিত। লোকসভাত বিৰোধী পক্ষৰ নেতাগৰাকীয়ে যদিহে নিজৰ কথা বিশ্বাস নকৰে, তেন্তে তেওঁ এনে ধৰণৰ যুক্তিহীন সিদ্ধান্তত উপনীত হোৱাৰ পৰা আৰু দেশৰ জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ পৰা বিৰত থাকিব লাগে বুলি আয়োগে উল্লেখ কৰে।

ooooo

নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ সততাক লৈ প্ৰশ্ন উত্থাপন কৰাৰ বাবে বিজেপিয়ে কংগ্ৰেছ নেতা তথা লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে ৰাহুল গান্ধীয়ে এইবাৰ প্ৰথমবাৰ সাংবিধানিক সংস্থাসমূহৰ বিৰুদ্ধে অভিযোগ উত্থাপন

কৰা নাই বৰং তেওঁ পূৰ্বেও এই সংস্থাসমূহৰ বিৰুদ্ধে অভিযোগ তুলিছে। তেওঁ কয়, যে ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ অন্য নেতাসকলে যিবোৰ ৰাজ্যত কংগ্ৰেছ নিৰ্বাচনত জয়ী হৈছে সেইবোৰ ৰাজ্যত আয়োগৰ সততাক লৈ প্ৰশ্ন উত্থাপন নকৰে। যোৱাবাৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছে ৯৯ খন আসন লাভ কৰাৰ সময়ত দলটোৱে এই ফলাফলক বিজয় হিচাপে উদযাপন কৰিছিল বুলি শ্ৰীপাত্ৰই মন্তব্য কৰে। তেওঁ কয়, যে এই কাৰ্যই স্পষ্টভাৱে বচা বচা ঘটনাক লৈ  কংগ্ৰেছৰ অসন্তুষ্টিক সূচায়। ইয়াৰ পূৰ্বে নতুন দিল্লীত এখন সংবাদ মেলত ৰাহুল গান্ধীয়ে ভোটাৰ তালিকাত হেৰ-ফেৰ হোৱা বুলি অভিযোগ তুলি অলপতে সম্পন্ন নিৰ্বাচনসমূহৰ নিৰপেক্ষতাক লৈ প্ৰশ্ন উত্থাপন কৰিছিল।

ooooo

ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালে কালি মস্কোৰ ক্ৰেমলিনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক সাক্ষাৎ কৰে। ইয়াৰ পূৰ্বে শ্ৰীদোভালে দেশখনৰ সুৰক্ষা পৰিষদৰ সচিব চাৰ্গেই ছইগুৰ সৈতে আলোচনাত মিলিত হয়। এই উপলক্ষে ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টাগৰাকীয়ে কয়, যে ৰাছিয়াৰ সৈতে ভাৰতৰ  সম্পৰ্ক বিশেষ আৰু পুৰণি। তেওঁ কয়, যে দুয়োপক্ষৰ মাজত উচ্চ পৰ্যাযৰ আলোচনা অনুষ্ঠিত হৈ আহিছে আৰু এই আলোচনাই উভয় দেশৰ মাজত সম্পৰ্ক অধিক শক্তিশালী কৰাৰ অৱদান আগবঢ়াই আহিছে। শ্ৰীদোভালে কয়, যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন শীঘ্ৰে ভাৰত ভ্ৰমণলৈ আহিব আৰু এই ভ্ৰমণৰ সূচী প্ৰায় চূড়ান্ত কৰা হৈছে। অৱশ্যে এই ভ্ৰমণৰ নিৰ্দিষ্ট দিন-বাৰ প্ৰকাশ কৰাৰ পৰা তেওঁ বিৰত থাকে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিও লুলা ডি চিলভাৰ সৈতে ফোনযোগে এক বাৰ্তালাপ কৰে। এক বিবৃতিত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে জনোৱা মতে, টেলিফোনিক বাৰ্তালাপৰ সময়ত দুয়োগৰাকী নেতাই বাণিজ্য, প্ৰযুক্তি, শক্তি, প্ৰতিৰক্ষা, কৃষি, স্বাস্থ্য আৰু জনসাধাৰণৰ সম্পৰ্কত সহযোগিতা বৃদ্ধিৰ বাবে সন্মতি প্ৰকাশ কৰে। পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰতো তেওঁলোকে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বিগত মাহত ব্ৰাজিল ভ্ৰমণৰ কথাও এই আলোচনাত উল্লেখ কৰে। প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়ে কয়, যে দুয়োগৰাকী নেতাই ভাৰত-ব্ৰাজিল কৌশলগত অংশীদাৰিত্বক নতুন গতি প্ৰদান কৰাৰৰ প্ৰতিশ্ৰুতিও এই আলোচনাত পুনৰ দোহাৰে ।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি বিহাৰৰ সীতামাৰ্হি জিলাৰ পুনাউৰা ধামত দেৱী সীতাৰ প্ৰতি উৎসৰ্গিত এক বৃহৎ মন্দিৰ নিৰ্মাণৰ কাম উদ্বোধন কৰিব। আজি দুপৰীয়া মন্দিৰৰ আধাৰশিলা স্থাপন আৰু ভূমিপূজন অনুষ্ঠিত হ'ব। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এক ৰাজহুৱা সমাৰেশত ভাষণ দিব। বেনাৰস আৰু মিথিলাৰ পণ্ডিত আৰু পুৰোহিতৰ তত্বাৱধানত মন্দিৰৰ আধাৰশিলা স্থাপন কৰা হ'ব। মন্দিৰ আৰু ইয়াৰ আশে-পাশে থকা চৌহদৰ বাবে আনুমানিক ৮৮৩ কোটি টকা ব্যয় কৰা হ'ব। বিহাৰ চৰকাৰে অযোধ্যাৰ ভগৱান ৰাম মন্দিৰৰ আৰ্হিত নতুন মন্দিৰটো নিৰ্মাণৰ বাবে ৫০ একৰ মাটি অধিগ্ৰহণৰ সিদ্ধান্ত লৈছে। এই মন্দিৰ পৰিচালনাৰ বাবে ভগৱান ৰাম অযোধ্যা মন্দিৰ ট্ৰাষ্টৰ দৰে শ্ৰীজানকী জন্মভূমি পুনৌৰা ধাম মন্দিৰ

ন্যাস সমিতি নামৰ এটা ট্ৰাষ্ট গঠন কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে সীতামৰ্হীৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে সীতামৰ্হি-নতুন দিল্লী অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰিব। ইয়াৰ দ্বাৰা বিহাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থানৰ মাজেৰে নতুন দিল্লী আৰু সীতামাৰহিৰ মাজত পোনপটীয়া ৰে'ল সংযোগ ঘটিব। আজিৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অযোধ্যা, কাশী, জনকপুৰ, আৰু দক্ষিণ ভাৰতকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা সাধু সন্তসকল উপস্থিত হৈছে। সীতামৰ্হী, জানকপুৰ, আৰু সমগ্ৰ মিথিলাঞ্চল অঞ্চলত এক উত্তেজনা আৰু উদযাপনৰ পৰিৱেশ। ভূমি পূজনৰ বাবে ২১ খন তীৰ্থস্থানৰ মাটি আৰু ৩১ খন নদীৰ পানী অনা হৈছে। পাটনাৰ মহাবীৰ মন্দিৰত প্ৰস্তুত কৰা লাড়ুও এই অনুষ্ঠানত বিতৰণ কৰা হ'ব।

ooooo

ভাৰতে বেংকক অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত বৰ্তমানলৈকে ১২টা পদক নিশ্চিত কৰিছে। কালি পুৰুষৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত শিৱম, ৬৫ কিলোগ্ৰাম ওজন শাখাত মৌচম ছুহাগ, ৭৫ কিলোগ্ৰাম ওজন শাখাত ৰাহুল কুণ্ড, ৮৫ কিলোগ্ৰাম ওজন শাখাত গৌৰভ আৰ ৯০ কিলোগ্ৰাম ওজন শাখাত হেমন্ত ছাংৱানে ছেমি ফাইনেলত প্ৰৱেশ কৰি কমেও ব্ৰঞ্জৰ পদক নিশ্চিত কৰে। উল্লেখযোগ্য যে ভাৰতৰ ৭ গৰাকী বক্সাৰে মহিলাৰ ছেমি ফাইনেলত ইতিপূৰ্বে স্থান নিশ্চিত কৰিছে।

ooooo

চেন্নাইত অনুষ্ঠিত হোৱা সন্মানীয় কোৱাণ্টবক্স চেন্নাই গ্ৰেণ্ডমাষ্টাৰছ ,২০২৫ প্ৰতিযোগিতাত বিশ্বৰ ৫ নং স্থানৰ খেলুৱৈ অৰ্জুন এৰিগাইছি আৰু জাৰ্মান গ্ৰেণ্ডমাষ্টাৰ ভিনচেণ্ট কেইমাৰে বিজয়েৰে নিজৰ অভিযান আৰম্ভণি কৰিছে। স্থানীয় গ্ৰেণ্ডমাষ্টাৰ প্ৰণৱ পঞ্চম আৰু কাৰ্তিকেয়ান মুৰালীৰ মাজত খেল ড্ৰ হয়। বিশ্বৰ ৬ নম্বৰ স্থানৰ প্ৰাক্তন অনিশ গিৰি আৰু আমেৰিকাৰ গ্ৰেণ্ড মাষ্টাৰ ৰে ৰবছনৰ খেলখন ড্ৰ হোৱাৰ, লগতে ভাৰতৰ বিদিত গুজৰাথী আৰু ডাটচ গ্ৰেণ্ড মাষ্টাৰ জৰ্ডেন ভান ফৰেষ্টৰ মাজত হোৱা খেলখনো ড্ৰৰে অন্ত পৰে। চেলেঞ্জাৰছ শাখাত শীৰ্ষস্থানীয় ভাৰতীয় গ্ৰেণ্ড মাষ্টাৰসকলেও অন্য খেলুৱৈক প্ৰত্যাহ্বান জনায়। দীপ্তায়ন ঘোষ, লিঅ'ন লুক মেণ্ডনকা, আৰু এম প্ৰাণেশে প্ৰথম ৰাউণ্ডত জয় লাভ কৰে। মহিলা গ্ৰেণ্ড মাষ্টাৰ বৈশালি ৰমেশবাবু, গ্ৰেণ্ড মাষ্টাৰ অভিমন্যু পুৰাণিক, আৰু গ্ৰেণ্ড মাষ্টাৰ  ইনিয়ান পায়ে তেঁওলোকৰ খেলসমূহ ড্ৰ' খেলে। অভিজ্ঞ খেলুৱৈ হৰিকা দ্ৰোনাৱল্লী, আৰয়ান চোপ্ৰা, আৰু হৰ্ষবৰ্ধন জি বিয়ে প্ৰথম ৰাউণ্ডৰ পৰাজয়ৰ সন্মুখীন হয়। তৃতীয় সংস্কৰণত উপনীত হোৱা কোৱাণ্টবক্স চেন্নাই গ্ৰেণ্ডমাষ্টাৰছে ভাৰতৰ আটাইতকৈ শক্তিশালী ধ্ৰুপদী ফৰ্মেটৰ দবা প্ৰতিযোগিতা হিচাপে নিজৰ স্থান নিশ্চিত কৰিছে । দহ দিনীয়া, ৯ ৰাউণ্ডৰ এই প্ৰতিযোগিতাত মাষ্টাৰছ আৰু চেলেঞ্জাৰচ দুটা শাখাত ২০ জন আগশাৰীৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ইয়াত সৰ্বমুঠ ১ কোটি টকাৰ পুৰস্কাৰ আছে। ৬ আগষ্টৰ পৰা ১৫ আগষ্টলৈ চলিব লগীয়া এই প্ৰতিযোগিতাখনৰ সকলো খেল ৩ বজাৰ পৰা আৰম্ভ হয়। ইউটিউব আৰু অন্যান্য প্ৰধান প্লেটফৰ্মত খেলসমূহৰ লাইভ সম্প্ৰচাৰ কৰা হয়।

ooooo

সমাপ্ত